জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭২২/২০২০

## চাহ জনগোষ্ঠীৰ শৈক্ষিক উত্তৰণৰ দিশত যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰি ৰাজ্যৰ চাহ বাগিচা এলেকাত ১১৯ খন আদৰ্শ হাইস্কুল নিৰ্মাণৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

# অসমৰ মাটিক নিজৰ জন্মভূমি হিচাপে আৰু অসমীয়া ভাষাক মাতৃভাষা হিচাপে আকোঁৱালি লোৱা চাহ জনগোষ্ঠীৰ সমাজখনক সৰ্বদিশৰে পৰা আগুৱাই নিয়াটো আমাৰ নৈতিক দায়িত্ব ঃ মুখ্যমন্ত্ৰী

## চাহ বাগিচাসমূহত হাইস্কুল স্থাপনৰ পৰৱৰ্তী পৰ্যায়ত মহাবিদ্যালয় স্থাপনৰ বাবেও চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা

## পূৰ্বৰ চৰকাৰসমূহে চাহ জনগোষ্ঠীৰ ৰাইজৰ দুখ-দুৰ্দশাৰ কথা আন্তৰিকতাৰে উপলব্ধি কৰিবলৈ কেতিয়াও প্ৰয়াস নকৰিলে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০১ নৱেম্বৰ ঃ** ‘চাহ জনগোষ্ঠীৰ লোকসকল বৃহত্তৰ অসমীয়া জাতীয় জীৱনৰ এক অবিচ্ছেদ্য অংগ। ৰাজ্যখনৰ সামগ্ৰিক বিকাশ, সাংস্কৃতিক সত্ত্বা ইত্যাদি টনকিয়াল কৰাৰ দিশত এই জনগোষ্ঠীৰ অৱদান অপৰিসীম। যিখন সমাজে অসমৰ মাটিক নিজৰ জন্মভূমি হিচাপে আকোঁৱালি ল’লে, অসমীয়া ভাষাক নিজৰ মাতৃ ভাষা হিচাপে পৰিচয় দিলে সেইখন সমাজক সৰ্বদিশৰেপৰা আগুৱাই নিয়াটো আমাৰ সকলোৰে নৈতিক দায়িত্ব।’ - আজি শিৱসাগৰ জিলাৰ নাজিৰাৰ মেকিপুৰ চাহ বাগিচা খেলপথাৰত অসমৰ চাহ বাগিচাসমূহত ১১৯ খন আদৰ্শ হাইস্কুল নিৰ্মাণৰ শুভাৰম্ভণী অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে নাজিৰা মহকুমাৰ মেকিপুৰ আৰু বামুণপুখুৰী চাহ বাগিচাত আদৰ্শ হাইস্কুল নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰি আনুষ্ঠানিকভাৱে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে লোক নিৰ্মাণ বিভাগৰ জৰিয়তে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিখন হাইস্কুলৰ বাবদ প্ৰায় ১২০ লাখ টকাকৈ ব্যয় কৰা হ’ব। এই আঁচনিৰ বাবে ২০২০-২১ বৰ্ষৰ ৰাজ্যিক স্বঅগ্ৰাধিকাৰ পুঁজিৰ অধীনত বাজেটত ১৪২.৫০ কোটি টকাৰ পুঁজি ধাৰ্য কৰা হৈছে। নিৰ্মাণ হ’বলগীয়া এই প্ৰতিখন আদৰ্শ হাইস্কুলকে

অতি আধুনিক ৰূপত নিৰ্মাণ কৰা হ'ব। বিদ্যালয়সমূহত মূল প্ৰৱেশ দ্বাৰ, সীমাৰ বেৰ, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীৰ বাবে সুকীয়া প্ৰস্ৰাৱগাৰৰ ব্যৱস্থা, অত্যাধুনিক শ্ৰেণী কোঠা, শিক্ষকৰ জিৰণী কোঠা, বিদ্যালয় প্ৰধানৰ কক্ষ আদিৰ সু-ব্যৱস্থা থাকিব। এই বিদ্যালয়সমূহৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে ৰাজ্যৰ চাহ বাগিচাসমূহৰ শৈক্ষিক উত্তৰণৰ দিশত যে এক সুদুৰপ্ৰসাৰী প্ৰভাৱ পেলাব সেয়া নিশ্চিত।

এই উপলক্ষে আয়োজিত জনসভাক সম্বোধি দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতাৰ পাছৰ কোনো এখন চৰকাৰেই ৰাজ্যৰ এক অন্যতম বৃহৎ জনগোষ্ঠী চাহ শ্ৰমিকসকলৰ শৈক্ষিক উন্নয়নৰ বাবে কোনো ধৰণৰ উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ নকৰিলে। তেওঁলোকৰ দুখ-দুৰ্দশাৰ কথা আন্তৰিকতাৰে উপলব্ধি কৰিবলৈ প্ৰয়াস নকৰাৰ ফলত দশকৰ পাছত দশকধৰি তেওঁলোক শৈক্ষিক-সামাজিক আদি প্ৰতিটো দিশতে যথেষ্ট পিছপৰি থাকিল। কিন্তু অসমৰ ৰাইজৰ আৰ্শীবাদত ২০১৬ চনত চৰকাৰ গঠনৰ তিনিটা মাহৰ পাছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' সাৰ্বজনীন নীতিৰ আধাৰত ৰাজ্য চৰকাৰে অসমৰ ৭০ টা জাতি-জনগোষ্ঠীৰ নেতাসকলক লগত লৈ 'সহোদৰ' নামেৰে এক কাৰ্যসূচীৰ জৰিয়তে তিনিদিনীয়া আলোচনাত মিলিত হৈছিল। ৰাজ্যখনৰ প্ৰতিটো সৰু-বৰ জাতি-জনগোষ্ঠীকে বিকাশৰ পথত সমভাৱে আগুৱাই নিয়াৰ ৰূপৰেখা এই আলোচনাতে নিৰ্ণিত হৈছিল। এই ধৰণৰ ব্যতিক্ৰমী চিন্তাৰ ফচল হিচাপেই অসমৰ বুকুত প্ৰায় দুশটা বছৰ অতিক্ৰম কৰা চাহ জনগোষ্ঠীৰ লোকসকলৰ পুত্ৰ-কন্যাক আধুনিক শিক্ষাৰে শিক্ষিত কৰি তোলাৰ স্বাৰ্থতেই চাহ বাগিচাসমূহত হাইস্কুল স্থাপনৰ দৰে এক ঐতিহাসিক পদক্ষেপৰ আজিৰ দিনটোত সূচনা হ'ল। দেশৰ স্বাধীনতা আন্দোলনৰ বীৰ শ্বহীদ চাহ জনগোষ্ঠীৰ সন্তান মাংৰি ওৰাং, দয়াল দাস পাণিকা, বিজু বৈষ্ণৱ আদিলৈ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনগোষ্ঠীটোৰ ৰাইজৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভক্তিভাৱৰ বাবেই ৰাজ্য চৰকাৰে পূৰ্বে কোনেও হাতত নোলোৱা এনে উল্লেখযোগ্য পদক্ষেপ গ্ৰহণৰ বাবে আগবাঢ়ি আহিছে। চাহ জনগোষ্ঠীয় ৰাইজৰ বাবে আজিৰ দিনটোক এক ঐতিহাসিক দিনৰূপে অভিহিত কৰি এই পৱিত্ৰ মূৰ্হুতত তেওঁ জনগোষ্ঠীটোৰ সুসন্তান সন্তোষ কুমাৰ তপ্ন', চাইমন সিং হ'ৰৰ লগতে সাহিত্য-সংস্কৃতি আদি বিভিন্ন দিশৰ অগ্ৰণী ব্যক্তিত্ব সুশীল কুৰ্মী, গুৰুচৰণ কুৰ্মী, প্ৰহ্লাদ চন্দ্ৰ তাচা, সমীৰ তাতী, সনন্ত তাতী, পদুমী গাজলু, পদ্ম কৈৰী, বাৰ্কি প্ৰসাদ তেলেংগা আদিৰ অৱদানৰ কথা বিশেষভাৱে স্মৰণ কৰে।

চাহ বাগিচাসমূহত হাইস্কুল স্থাপনৰ এই পদক্ষেপে চাহ জনগোষ্ঠীৰ নতুন প্ৰজন্মৰ সৰ্বাংগীন উত্তৰণৰ দিশত এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মাথো হাইস্কুল স্থাপনতে চৰকাৰ সীমাৱদ্ধ নাথাকে। এই আঁচনি সফল হ'লে চৰকাৰে চাহ বাগিচা এলেকাত ভৱিষ্যতে মহাবিদ্যালয় স্থাপনৰ বাবেও পদক্ষেপ গ্ৰহণ কৰিব। ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা গ্ৰহণৰ বাবে চৰকাৰে আগবঢ়োৱা এই সুযোগৰ সদ ব্যৱহাৰ কৰাৰ বাবে নিজৰ সন্তানক অধ্যয়নৰ প্ৰতি উৎসাহিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে পিতৃ-মাতৃসকলৰ প্ৰতি আহ্বান জনায়। নিজৰ ভাষণত তেওঁ চৰকাৰখনৰ বিগত চাৰে চাৰি বছৰীয়া কাৰ্যকালত চাহ জনগোষ্ঠীৰ শৈক্ষিক, সামাজিক, বৌদ্ধিক, অৰ্থনৈতিক আদি দিশৰ উত্তৰণৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও আলোকপাত কৰে। এই প্ৰসংগত তেওঁ চাহ বাগিচা এলেকাত প্ৰদান কৰা ৮০

খন মোবাইল মেডিকেল ভান, আঠ শতাধিক চাহ বাগিচাত নিমাণ কৰা বাগিচাৰ লাইনৰ পথৰ কাম, চাহ বাগিচা ধন পুৰস্কাৰ মেলা, জনগোষ্ঠীটোৰ যুৱক-যুৱতীৰ আত্মনিয়োজনৰ বাবে ২৫ হাজাৰ টকাৰ এককালীন সাহায্য, মেধাৱী ছাত্ৰ-ছাত্ৰীলৈ জলপানি, বাগিচাৰ গৰ্ভৱতী শ্ৰমিক মহিলাসকললৈ মজুৰিৰ ক্ষতিপূৰণ, বাগিচাৰ চৰ্দাৰলৈ স্মাৰ্ট ফোন প্ৰদান, চাহ বাগিচাৰ খেলপথাৰসমূহৰ উন্নয়ন, বাগিচাৰ শ্ৰমিকসকলৰ বাবে পকী গৃহ নিৰ্মাণ, বিনামূলীয়া চাউল যোগান আদি পদক্ষেপৰ কথা উল্লেখ কৰে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ কৃষকৰ উপাৰ্জন দুগুণলৈ বৃদ্ধি কৰাৰ বাবে লোৱা পদক্ষেপৰ দৰে আমিও ৰাজ্যৰ শ্ৰমিক সকলৰ উপাৰ্জন দুই-তিনি গুণলৈ বৃদ্ধিৰ বাবে কাম কৰিব লাগিব। জনগোষ্ঠীটোৰ নতুন প্ৰজন্মক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি আগবঢ়াই নিয়াৰ জৰিয়তেহে এয়া সম্ভৱ হৈ উঠিব বুলি তেওঁ মন্তব্য কৰে।

আজিৰ অনুষ্ঠানত লোকনিৰ্মাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী যোগেন মহন, সাংসদ তপন কুমাৰ গগৈ আৰু চাহ জনগোষ্ঠীৰ যুৱ নেতা, সমাজকৰ্মী প্ৰহ্লাদ গোৱালা আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক পৱন বেদীয়াই ভাষণ প্ৰদান কৰি অনগ্ৰসৰ চাহ বাগিচাৰ এলেকাসমূহত হাইস্কুলৰ দৰে শিক্ষানুষ্ঠান স্থাপনৰ দৰে ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। এই পদক্ষেপে পিছপৰা চাহ জনগোষ্ঠীৰ শৈক্ষিক আৰু আৰ্থ-সামাজিক উত্তৰণৰ দিশত এক নতুন দিনৰ সূচনা কৰিব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে।

শিৱসাগৰ জিলাৰ উপায়ুক্ত লক্ষ্মীনন্দন গগৈয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত, অসম ৰাজ্যিক বেচা-কিনা নিগমৰ উপাধ্যক্ষ শিৱ প্ৰসাদ ভদ্ৰা, সমাজ কৰ্মী সুৰভি ৰাজকুমাৰী, লোক নিৰ্মাণ (গৃহ) বিভাগৰ মুখ্য অভিযন্তা গৌতম সৰকাৰ, আৰক্ষী অধীক্ষক অমিতাভ সিনহা, নাজিৰা মহকুমাধিপতি লখিমী দত্তকে ধৰি প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল আৰু অঞ্চলটোৰ বিভিন্ন চাহ বাগিচা তথা গ্ৰামাঞ্চলৰ পৰা অহা বহুসংখ্যক লোক উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**০১/১১/২০২০**